# বাপতি সাহোন

("হেল'? পূব জ্যোতিনগৰ সমবায়। কাক বিচাৰিছে?")

অ'—বৰবৰা আছে নেকি?...অ', বৰবৰা, মই অমুক চলিহাই কৈছোঁ—কি যে ভাগ্য, ভাল পালোঁ আপোনাক, দোকান নিশ্চয় বন্ধই কৰিব ধৰিছিল, আঠটাতো বাজিলেই, একেবাৰে আশা কৰা নাছিলোঁ যে আজি উৰুকাৰ দিনা আপুনি নিজে দোকানত ইমান দেৰিলৈ থাকিব—কি ক'লে? উৰুকাৰ দিনাহে প্ৰেছাৰ বেছি পৰে? অ, হয়োতো, সেইদিনাইতো সকলোৰে কিনা-কটা শেষ কৰিবলৈ হুৰমূৰ লাগে—যাক, ময়ো এটা মহা বিপাঙত পৰিহে আপোনাক ফোন কৰিবলগীয়া হ'ল—মানে, হ'ল কি, যোৱা দুদিন ইয়াত নাছিলোঁ, যোৰহাটলৈ গৈছিলোঁ ১৪, ১৫—মনে-মনে কি এটা গণ্ডগোল কৰি বহি আছিলোঁ, যে তাৰ মানে ১৪ তাৰিখে উৰুকা, ১৫ তাৰিখে বিহু—আজি আবেলি আহি পাইছোঁ, গপচত আছোঁ, কালিলৈ বিহুৰ বজাৰ কৰিম—দেখিলোঁ, এওঁ দেখোন আকৌ মুখ গহীন কৰি আছে, ঘৰখন থমথম নিতাল। ৰুণুক ঠুনুকো ঘৰত নাই। পৰহিলৈ বিহু বুলি দেখোন কোনো এটা ব্যস্ততাৰ সাৰি শব্দ নাই। ক'লোঁ, হেৰা, বৰাচাউলখিনি বাহিৰ কৰি থ'বা, বিমলা বাইৰপৰা কালিলৈ পুৱাই খুন্দাই আনিম, তাৰপাছত কালিলৈ সন্ধিয়াৰ উৰুকাৰ বাবে অলপ মাছ-টাছ—কিন্তু তেওঁ দেখোন চাট্‌কৈ মুখখন ঘূৰাই লৈ ক'লে, অ, আপুনি অকলে-অকলেই কালিলৈ উৰুকা পাতি থাকক—বৰ দেখোন ইহঁত দুটাক বুজাই থাকে বিহু আমাৰ জাতীয় উৎসৱ, আমি বিলাততো চাৰিটা অসমীয়া ল'ৰা মিলি চুৰ্চুৰীয়াকৈ হ'লেও বিহু বুলি কিবা এটা পাতিছিলোঁ, বিহু আমাৰ বাপতি সাহোন, হেন হে, তেন হে—এই বুলি মোক আৰু একো ক'বৰ সুযোগ নিদি উচাট মাৰি ভিতৰলৈ গুচি গ'ল—অলপ বিবুদ্ধি হৈ ভাবিছোঁ কিনো কয় এওঁ, এনেতে শুনিলোঁ সিটো ৰুমত তেওঁ চাৰে সাত বজাৰ নিউজটো লৈছে। কোনোবা নেতাই ৰাইজক উৰুকাৰ ওলগ জনাইছে—বাই দি বাই, 'উৰুকাৰ ওলগ' বস্তু এটা আকৌ কেতিয়াৰপৰা আহিল?—হা হতোস্মি, তেতিয়াহে গম পালোঁ, হাৰে, আজিয়েই দেখোন উৰুকা—ধেৎতেৰি, এইৰকমনো মই স্কেটাৰ-ব্ৰেইনড্ হ'ব লাগেনে—তেতিয়াহে মনত পৰিল, আহোঁতে দেখিছিলোঁ পাণদোকানখনৰ কাষত দেখোন আজি খুব মাছ কিনা-বেচা চলিছে, কিনো হ'ল আকৌ আজি—ডেকাফুকন পাৰ্কখনৰ ওচৰেৰে টেক্সিখন ঘূৰোঁতে তাতো যেন ডেকা ল'ৰাৰ জুম এটাৰদৰে দেখিছিলোঁ—তাত সদায় ৰুণুক ঠুনুকহঁতৰ ৰাইন' ক্লাবে ভেলাঘৰ পাতে নহয়—যি হওক, আপোনাক এই ইলেভেন্থ আৱাৰত ডিষ্টাৰ্ব কৰাৰ ইচ্ছা নাছিল। ইপিনে দিনটো কামত আছোঁ, তাৰপাছত ঘৰলৈ লং জাৰ্নী, ভাগৰ লাগিছে, টোপনি-টোপনি ভাব আহিছে—কিন্তু নাই, ভাবিলোঁ, কিয়, আমাৰ বৰবৰাতো এতিয়াও নিশ্চয় সমবায়ত আছে, এটা ৰিং কৰি চাওঁৰেইচোন—যাক, এতিয়া মোৰ প্ৰব্লেমটোতো বুজিছেই—মাছ-টাছ এতিয়া আউট অফ কুৱেশ্যন—কি ক'লে? আজি সমবায়ৰ ফিশ এণ্ড প'ল্ট্ৰী ছেকশ্যনত ফৰটি পাৰ্চেন্ট ৰিবেট দিছিল? আঃ, বেড্ লাক্—যাক, আপুনিতো বুজিছেই, কালিলৈ পুৱাই বিহু। ইপিনে ঘৰত ৰুণুক ঠুনুকক না সাজি দিছোঁ মেজিঘৰ, না আছে কোনো চাউল-চিৰা-পিঠা-পনাৰ যোগাৰ—কি আৰু কৰিম, এইমাত্ৰ মনত খেলালে, কিয়, আমাৰ সমবায়তো এতিয়াও নিশ্চয় খোলা আছে, লাষ্ট্ মিনিট ৰাশ্, আৰু ভাগ্যক্ৰমে যদি পাই যাওঁ আপোনাক—আপুনিয়েইতো আমাৰ সকলোৰে অগতিৰ গতি হে-হে-হে, আপোনাক এটা ফ'ন কৰি চাওঁ [অৱশ্যে মইতো আৰু সঁচাই ফ'ন কৰা নাই, নহয় জানো, আপোনাকতো আৰু এই ৰাতিখন ঝামেলা কৰাৰ প্ৰশ্নই নুঠে, তথাপি ফ'ন কৰিয়েই বহিলোঁ—যদিও অৱশ্যে, ফ'ন-ট'ন এক্কো কৰা নাই, ইফ্ ইউ ছী হোৱাট আই মীন্—আৰু ঘৰৰ কথা যিবোৰ কৈছোঁ সেইবোৰতো কেতিয়াও নকওঁ—কিন্তু, কৈছোঁ দেখোন—অ, অলপ কম্প্লিকেটেড্ কথাটো], এনিৱে, এতিয়া বাৰু মই কি—কি ক'লে?

("আপুনি সমবায়ৰ আজীৱন সভ্য, মাজে-মাজে এক্সিকিউটিভতো আছে, এনেকুৱা কিবা এটা ইমাৰ্জেন্সীতে যদি সমবায়ে কিবা এটা সহায় কৰি দিব নোৱাৰে, তেনেহ'লে আৰু কেতিয়া কৰিব?")

নাইচ্ অফ ইউ টু ছেই ছ', বৰবৰা, কিন্তু মোৰ কথাতো আৰু স্পেচিয়েল একো নহয়, মোৰদৰেই আজি লাখ-লাখ অসমীয়া মানুহ সমবায়ৰ সভ্য, আজিতো আমি সকলোৱে বুজিছোঁ যে ক'-অপাৰেটিভ কৰিলে লাভখোৰ বেপাৰীৰ অবাধ তেজ-শোহাৰপৰা মুক্তি, সকলোপিনেই লাভ, ডাঙৰ-ডাঙৰ কোম্পানী আৰু মাল্টিনেশ্যনেল কৰ্পৰেশ্যনৰ এক্সপ্লয়টেশ্যন আমি ক'-অপ্ মুভমেন্টটো কৰি খতম কৰি দিছোঁ, সিহঁতে বুঢ়া-আঙুলি কামুৰি চাই আছে, হাৰে এই বুৰ্বক অসমীয়া মানুহবোৰে দেখোন নিজে-নিজেই চব্ প্ৰডিউচ্ কৰি লৈছে, সিহঁতৰ মূৰ সুমুৱাবলৈকে জাগা নাই—সেইখিনি গুড্ ছেন্স

আমাৰ মানুহখিনিৰ ইমানদিনে হৈছে, থেংক্ গুড্‌নে'ছ—এই আজিৰ কথাটোকে চাওক—আপুনি আজি সন্ধিয়াৰপৰা ফট্‌ফট্ শব্দ কৰি জেনেৰেটৰ চলাই কিমান অশান্তিৰ মাজত ক'-অপাৰেটিভখনৰ উৰুকা ৰাশ্ চামলাব লগা হ'লহেঁতেন, কিন্তু ইলেকট্ৰিক ছাপ্লাইটো আমাৰ মানুহে ক'-অপ্ ছেক্টৰলৈ নিয়াৰ পিছত আৰু ল'ড্-শ্বেডিং নাই, পাৱাৰকাট্ নাই, ল'ৰা-ছোৱালীৰ ৰাতিৰ পঢ়া-শুনাৰ অসুবিধা নাই, টেৰিফো পাৰ ইউনিট ফিফ্‌টী পাৰ্চেন্ট কমি গৈছে, টেৰিফিক্ এচ্ছিভ্‌মেন্ট, আমাৰ ইম্‌মেন্স, হাইড্ৰ'ইলেকট্ৰিক পটেন্‌চিয়েল আমি এতিয়া ম'ষ্ট এ'ফিচিয়েন্টলী এণ্ড ইকনমিকেলী এক্সপ্লইট কৰিব ধৰিছোঁ, এনেকি ৱেষ্ট বেংগল আৰু বিহাৰকো ৰাহি পাৱাৰ বিক্ৰী কৰিব ধৰিছোঁ—যাক, কি কৈছিলোঁ? অ, অলপ বৰাচাউল আৰু পিঠা-পনা আৰু মেজি এটা ("এঃ, ক্ল'জিং টাইম তো পাৰ হৈয়েই গ'ল, চলিহা, আৰু তো এওঁলোকক ডিটেইন কৰিব নোৱাৰোঁ, ছৰী, কিন্তু আপোনাৰ ইমিডিয়েট ৰিকুৱাৰমেন্ট্ মই যি বুজিছোঁ সেয়া হ'ল এটা মেজি আৰু কিছু বৰাচাউল, পাৰিলে এক পেকেট পিঠা-পনা—ৰাইট? চাওক, মই এতিয়া এইটো কৰিব পাৰোঁ—আমাৰ তিলপিঠা, ঘিলাপিঠা আৰু নাৰিকলৰ লাৰুৰ বিহু-স্পেচিয়েল পেকেইজ আৰু দুটামানহে বাকী আছে—আমাৰ ত্ৰিপ্‌ল-পি-চিৰিজৰ 'পলি-পিঠা-পেলে-টেব্‌ল' (Poly-Pitha-Pala-table)আৰু 'পিঠা-পেক্-পেটিট্' (Pitha-Pack-Petite), আমাৰ কঁঠালকুছি ৱৰ্কছ্‌ৰ অ'ভেনে'টৰ মিক্সাৰ্-গ্ৰাইণ্ডাৰ্‌কেইটা আৰু বিহু-ষ্টাফৰ মহিলাকেইগৰাকীয়ে কালিলৈকে অ'ভাৰটাইম্ কাম কৰিছে—কি? টেকেলি-পিঠা? নাই, ছৰী, টেকেলি-পিঠাৰ বাবে ছিন্থেটিক-বেম্বুটিউবিঙৰ যিকেইটা কম্পেক্টৰ্ আৰু ময়চ্ছাৰাইজাৰ্ ইউনিট আছিল সেই আটাইকেইটা প্ৰডাক্‌শ্যন আৰম্ভ কৰাৰ দুঘণ্টাৰ পাছতে বিকল হৈ গ'ল। নাই, এইবাৰ টেকেলি-পিঠা কৰিব পৰা নগ'ল—যিহওক, কালি পুৱাই, ধৰক ছয়টা-সাতটাৰ ভিতৰত—আমাৰ কেইটামান ইমাৰ্জেন্সী ডেলিভাৰী আছে—এইবাৰ উবেদুৰ আৰু মতিন সিহঁতৰ ল'কেল ভেলাঘৰত টাইড্-আপ্, পিনুৱেল আৰু গোলোকেশ্বৰেহে কালিলৈ পুৱা আঠটালৈ অ'ভাৰটাইম ডিউটি হিচাপে ডেলিভাৰিখিনি শেষ কৰি দিবলৈ ৰাজী হৈছে। অ, পুৱা ছটা-সাতটাৰ ভিতৰত এটা টাইমত আপুনি বৰা চাউলখিনি ফাইন্‌লী গ্ৰাউণ্ডে'ড কণ্ডিশ্যনত—কিমান? দুই কেজি? অল্ ৰাইট্ প্লাছ্ পিঠা-পেকেটটো পাই যাব—হ'প্ ইতিমধ্যে ডেলিভাৰী ভেন দুখনৰ কোনো ব্ৰে'ক্‌ডাউন্ নহয়, যি দৌৰোৱা হৈছে সেই দুখন এই যোৱা দুদিন, খুব ষ্ট্ৰেইন্ পৰিছে, আৰু হা, এজ্ ৰিগাৰ্ড্‌ছ্ দি মেজি—সিদিনা আপুনি আমাৰ এই বছৰৰ মেজি-ৰে'ঞ্জৰ কেটেলগখন নিছে নহয়—অৱশ্যে এতিয়া আৰু আপোনাৰ বেছি চ্ছয়ছ্ নাই, মাত্ৰ ইকনমী মডেলহে দুই-তিনিটা বাকী আছে—ধৰক এৰাউণ্ড্ ২০০ টকা—হ'ব? ঠিক আছে, লগতে তেনেকুৱা মডেলৰ এটাকে পঠিয়াই দিম, সাত বজাৰ ভিতৰত আপোনাৰ ৰুণুক-ঠুনুকে মেজি জ্বলাব পাৰিব—") কেটেলগ্? আ ইয়েছ, সিদিনা অনা কেটেলগ্‌খন—ক'ত থ'লোঁ ডেম্ থিং—হা, এয়া—মিনি ছাইজ, মিডি ছাইজ, কিং ছাইজ—আপাৰ্ এছাম্ টাইপ, কামৰূপী টাইপ...অ, এই যে, এই মডেলটোকেইতো সিদিনা সমবায়ৰ কৰ্মীজনে গ্ৰাহক দুজনমানক বুজাই আছিল, দেখাত এটা সৰু চেপেটা বাকচ, পাঁচ লিটাৰৰ টিন এটাৰদৰে ("এইটো—আপোনাৰ—ইকনমী মডেল, কিন্তু কম্পেক্ট, কলাপ্‌চিবল, এণ্ড ফুল্‌লী অটমেটিক—তলৰ এই 'ষ্টাৰ্ট' চুইচটো টিপিলে বাকচটো খোল খায় আৰু স্প্ৰিং এক্‌শ্যনেৰে ভিতৰৰপৰা এটা খেৰৰ মেজিৰদৰে ষ্ট্ৰাক্‌শ্যাৰ ওপৰলৈ উঠি যায়, বাকচৰ তলিৰপৰা ৮০ ছেন্টিমিটাৰ ওখ; এইবোৰ খেৰ অৱশ্যেই বিশেষভাৱে প্ৰস্তুত আঁহ আৰু তন্তু, তাৰপাছত 'ইগনাইট্' বুটামটো টিপিলে এটা পিজ'—ইলেক্ট্ৰিক চুইচে—মানে সৰু ক্ৰিষ্টেল এটুকুৰাৰ ওপৰত চাপ পৰি সৃষ্টি হোৱা ভল্টেজ—এটা পেৰাফিন—বে'ন্‌জিন্-ডিৰাইভেটিভ্ মিক্‌শ্চাৰ্ প্ৰজ্জ্বলিত কৰে—কিছুদূৰ মটৰগাড়ীৰ স্পাৰ্ক-প্লাগে স্ফুলিংগেৰে পেট্ৰল-মিকশ্চাৰ জ্বলাই দিয়াৰদৰে, বা ঘৰত গেছ জ্বলোৱা ইগ্নাইটাৰ্‌বোৰৰ দৰে—অৱশ্যে এই ফিউৱেল্-মিক্‌শ্চাৰটো আমাৰ ক'অপাৰেটিভ্‌চ্ ইউনিয়নে ফিনান্স কৰি পেট্ৰ'কেমিকেল ইন্সটিটিউটত স্পেচিয়েলি ডেভেলপ কৰাই আনিছে—ড° হৃদয় বুজৰবৰুৱা আৰু তেওঁৰ টিমে এইটো ডেভেলপ কৰিছে—ইগ্‌নিশ্যন্ হোৱাৰ পাছত প্ৰায় ৩৫ মিনিট ধৰি আঁহবোৰ পুৰি নিয়ে—বঢ়িয়া জুই যেন দেখি। ইগ্‌নিশ্যন চুইচৰ কাষত 'উছৰ্গা' বুলি আৰু এটা বুটাম আছে, সেইটো টিপিলে সৰু খুপৰী এটা খুলি যায় আৰু ভিতৰৰপৰা সৰু প্লাষ্টিকৰ পেকেট এটা ওলাই আহে, তাত আছে দুখনমান তামোল-পাণ, এটা তিলৰ লাৰু আৰু এটা নাৰিকলৰ লাৰু আৰু এডাল ধূপকাঠি, মেজিত 'জুই দিয়া'ৰ আগেয়ে উছৰ্গা দিবৰ বাবে (ধূপডাল অৱশ্যে দিয়াচলাইৰেই জ্বলাই দিব লাগিব)—অৱশ্যে ইক'নমী মডেলৰে আৰু এটা অলপ দামী ভেৰাইটি আছে, যিটোত অন্তৰ্ভুক্ত এটা মাইক্ৰ'চিপ্-চালিত অডিঅ' ইউনিটে বাঁহৰ গাঁঠি ফুটাৰদৰে ধম্‌ধম্ শব্দৰ সৃষ্টি কৰে—সকলোবোৰ মডেলতে অৱশ্যে 'ষ্টাৰ্ট' বুটামটোৰ ক্ৰিয়া আৰম্ভ হোৱাৰ পাছত এটা ডিছপজে'ব্‌ল্ ৰিপ্ৰডিউচিং হে'ডৰ মাজেৰে চলি যোৱা এটুকুৰা প্ৰি-ৰেকৰ্ডেড্ টে'পৰ ফিটাৰপৰা উৰুলি আৰু 'জয় ৰাম বোলা, জয় হৰি বোলা' আদি ধ্বনি ওলায় [অৱশ্যে বহুতে অন্য ধৰণৰ ধ্বনিহে পছন্দ কৰে—অগ্নিবন্দনা, সংস্কৃত শ্লোক, হুচৰি-কিৰিলি—তেওঁলোকে মনে খোৱা টে'পডাল বাকচটোত ল'ড্ কৰাৰ আগেয়ে দোকানত বাছি দিব পাৰে।] যাক, তেনেকুৱা এটা হ'লেই যথেষ্ট হ'ব, ৰুণুক-ঠুনুকৰ আত্মা ঠাণ্ডা হ'ব, এওঁও আৰু ক'ব নোৱাৰিব যে মই 'বাপতি-সাহোন'ৰ ট্ৰেডিশ্যনটো ৰক্ষা কৰা নাই। হ'ব, যথেষ্ট হ'ব, থেংক্ ইউ বৰবৰা, মাচ্ছ অব্লাইজ্‌ড্ ("ইটছ এ' প্লে'জাৰ, চলিহা, বাৰু থ'লোঁ—হেপী বিহু") ছেইম্ টু ইউ—বাৰু, কিন্তু ফ'ন্‌টো যেন মই ধৰিয়েই আছোঁ দেখোন, আপোনাৰ লগত কিবাকিবি কথা কৈয়েই আছোঁ—সঁচা নহয় অৱশ্যে—কিন্তু বিকট হিন্দীগানৰদৰে কিবোৰ চিৎকাৰ যে শুনা পাওঁ, আপুনিও ফ'নটো ধৰিয়েই আছে নেকি—সেয়া কি, বিহুগীত যেনো লাগে, বিলাতী পপ্-ছং যেনো লাগে, চব মিলি একো যেন নালাগে, গোটেইবোৰ গান ইটোৰ ওপৰত সিটো, একো বুজা নাযায়—এইবোৰ কি?

এইবোৰতো শুনিছোঁ ডেকাফুকন পাৰ্কত ৰাইন' ক্লাবৰ ভেলাঘৰো নাই, থাকিলেওতো আজিকালি কোনেও ৰাতি ভেলাঘৰত হিন্দী চিনেমাৰ গান লাউডস্পীকাৰত ছাড়ি নিদিয়ে—একো বুজি পোৱা নাই কি হৈছে। কিহৰ হাল্লা, মাতালৰ চেঁচামেছি যেনো শুনি, মটৰচাইকেলৰ গুম-গুম যেনো শুনি, গান যেনো শুনি, কি এইচব হাল্লা—এনিৱে, মেজিৰ প্ৰব্লেমটো তেনেহ'লে ছুল্‌ভুড়্, সিহঁতৰ কাৰণে আৰু কালি পুৱাই ইঘৰে-সিঘৰে কল-চোঁচনি বিচাৰি ফুৰিব নালাগে—এই ঠাণ্ডাত, বাপ্‌ৰে—আৰু, ৰিয়েলি, এই প'ৰ্টেব্‌ল্ কলাপ্‌চিব্‌ল্ অট'মেটিক মেজিবোৰ বাহিৰ হৈ আমাৰদৰে মানুহৰ বঢ়িয়া সুবিধা হৈছে—আৰ্বান্ লাইফ, সময় নাই, বাঁহ-খেৰ নাই, খালি মাটি নাই,—এনেকুৱা মেজিবোৰে যি হওক ট্ৰেডিশ্যনটো—আজিকালি অৱশ্যে মানুহে জধে-মধে চিমেন্টৰ কুন্ধচ দালান বান্ধিবলৈ এৰিছে, যথাসম্ভৱ কাঠ-ইকৰাৰ ধুনীয়া এছাম্ ঘৰেই মানুহে পছন্দ কৰা হৈছে—কাঠ-বাঁহ-ইকৰাৰ প্ৰিজাৰ্‌ভেটিভেৰে ট্ৰিট্ কৰা পাছত, পোক-পৰুৱাৰোধী বা টাৰ্মাইট-ৰেজিষ্টেন্ট্ কৰি লোৱাৰ পাছত, দুবছৰ নাযাওঁতেই কাঠৰ ঘৰ উঁইয়ে-পানীয়ে খাই দিব বুলি আৰু ভয় নাই। কিন্তু চহৰৰ বসতি ঘন, গৃহস্থৰ মাটি-কালি স্বল্প, গতিকে পানী যাবৰ কাৰণে, ড্ৰেইনেইজৰ কাৰণে ঘৰৰ সমুখ বা পিছচোতালৰ বেছিখিনিয়েই মানুহে পকী কৰি লয়, গতিকে মাটি বা ঘাঁহনিত মেজি বন্ধাৰদৰে বান্ধিবলৈ বিশেষ ঠাই নাথাকে—তেনেক্ষেত্ৰত এই কমপেক্ট অট'মেটিক মেজিবোৰেই বিহুৰ আচাৰটো ৰাখিছে—সময়ৰ লগত তাল ৰাখিবলৈ এইবোৰ ইন্ন'ভেশ্যন্ তো কৰিবই লাগিব—

খট্-খটাক্-খট্—ৰুণুকহঁতৰ ৰুমৰপৰা যেন শব্দ আহিছে, কাণ পাতি শুনিলোঁ, অ, সিহঁত দুটাই বোধহয় কেৰম খেলিছে—খেলিছে মানে, দুয়ো কিবা কথাত নিৰাশ হ'লে— যেনে, কিবা এটা হয়তো সিহঁতক আনি দিব নোৱাৰিলোঁ, বা সিহঁতৰ ক'ৰবালৈ যাম-যাম বুলি যোৱা নহ'ল—দুয়ো ৰুমত সোমাই বেজাৰ-মুখ কৰি কেৰম ব'ৰ্ডখনৰ দুয়োপিনে থিয় হৈ গুটি টুকুৰিয়াবলৈ আৰম্ভ কৰি দিয়ে, কাৰো মুখত কোনো কথা নাই—বুজিছোঁ অৱশ্যে, আজি কিহৰ বেজাৰ ঃ ঘৰৰ মেজিৰো কোনো দিহা হোৱা নাই, আৰু ইপিনে এইবাৰ হেনো সিহঁতৰ ৰাইন' ক্লাবে মেম্বাৰবিলাকৰপৰা যথেষ্ট টকা-পইছা তুলিব নোৱাৰিলে, গতিকে এইবাৰ সিহঁতৰ ক্লাবৰ ভেলাঘৰ আৰু উৰুকাৰ ভোজ নহ'ল। গতিকে ঘৰত কেৰম খেলি থকাৰ বাহিৰে সিহঁতৰ আৰু একো কৰিবলগীয়া নাই—ঘৰতো তো উৰুকা বুলি পিঠা এখন বা মাছ এটুকুৰা নাই—পাড়াৰ মানুহে অৱশ্যে সিহঁতক কিছু চান্দা-টান্দা দি উৰুকাৰ ভোজটো পতাই দিব খুজিছিল, কিন্তু সিহঁতে নল'লে—স্ফূৰ্তি কৰিবতো নিজৰ আৰ্জনেৰে কৰিব, লোকৰ টকা লৈ ভোজ খাব কিয়? সিহঁত ভিক্ষাৰী নে নিলাজ? বিহুৰ চান্দা বুলি অৱশ্যে আজিকালি ল'ৰাবোৰে কিবা খুজিবলৈকে লাজ কৰে, কাম কৰিবলৈ শিকাৰ পাছত অৰ্থাৎ শ্ৰমৰ সম্ভ্ৰম বুজাৰ পাছত আৰু এমেৰিকান জীন্‌ছ্ পিন্ধি লোকৰ ওপৰত লোৱা কাণ তাল মৰা ম'বাইকত উঠি ৰিক্সাৱালা, পাণদোকানীক মাৰপিট কৰি বা ব্যৱসায়ীক হুংকাৰ দি লোকে অৰ্জা পইছা লৈ স্ফূৰ্তি কৰাৰ কথা সিহঁতে কল্পনাই কৰিব নোৱাৰে। আমাৰ ল'ৰাহঁতে কাম কৰিবলৈ লোৱাৰ পিছত অৱশ্যে বাংলাদেশী, নেপালী, আন ৰাজ্যৰ বহিৰাগত আদিও আজি বহুত কমি গৈছে। কাৰণ, আমাৰ মানুহে কাম নকৰে বাবেইতো সিহঁতে আহি ইয়াত সুবিধা পাইছিল—বিদেশীৰ হাতলৈ যাব ধৰা মাটিও লাখ-লাখ বিঘা আমাৰ মানুহৰ হাততে থাকি গৈছে। ফলত ধান-চাউল, তৰি-তৰকাৰীৰ বিৰাট বাহিৰা আমদানীৰ ট্ৰাক-ট্ৰেইনৰ দিগ্বিজয় সোঁতো এতিয়া প্ৰায় আধাতকৈ বেছি কমি গৈছে। আশা কৰা যায় এনেকৈ চলি থাকিলে আৰু কমি যাব...নাঃ, পাড়াৰ মানুহখিনিয়ে সিহঁতক অন্ততঃ ভেলাঘৰ এটা সাজি লোৱাৰ জোখাৰে কাঠ-বাঁহখিনিৰ এটা ব্যৱস্থা কৰি দিব পাৰিলেহেঁতেন—আগেয়ে যেনেকৈ গাঁৱৰ গিৰিহঁতে ল'ৰাবোৰে ভেলাঘৰ পোৰক বুলি ৰাতি কিছু খৰি-কাঠ ঘৰৰ পদূলিমুখত থৈ দিছিল, তেনেকুৱা কিবা এটা ছিষ্টেমেৰে—যিটো ছিষ্টেম বিকৃত হৈ-হৈ আহি পৰিছিল কাঠ-বাঁহ চুৰ কৰাৰ নিয়ম—আজিতো নিজে যোগাৰ কৰিব নোৱাৰিলে ডেকা ল'ৰাবোৰে আৰু লোকৰ ঘৰৰ বাঁহৰ চালি, জেওৰা, কাঠৰ গে'ট সকলো তহিলং কৰি চুৰ কৰি নি জুইত জাপি নিদিয়ে। গতিকে ৰাইন' ক্লাবৰ সেইকেইটাই নিজৰ ভিতৰতে পইছা-পাতি উঠাব নোৱাৰিলে ঘৰে-ঘৰে সোমাই কেৰম খেলি থকাৰ বাহিৰে কৰিবই বা কি? সিহঁতেও বুজে যে চিমেন্ট আৰু লোহা-লক্কৰৰ বেপাৰীৰ খুচিমাফিক দাম বঢ়োৱা অত্যাচাৰক বাধা দিবলৈ আমাৰ মানুহে যিমানদূৰ সম্ভৱ বাঁহৰ জেওৰা, কাঠৰ গে'ট আদি ব্যৱহাৰ কৰিছে—আজিকালি সেইবোৰ যিহেতু ঘুণে খাব নোৱৰাকৈ ৰাসায়নিক লেপ দিয়া—দেখাতো ধুনীয়া দেখি, টিকেও বহুদিন, কোটি-কোটি টকাৰ মুনাফাৰপৰা চিমেন্ট আৰু লোহা-বেপাৰী ডকাইতবোৰো বঞ্চিত থাকে—সিহঁতেও বুজে, গৃহস্থঘৰৰ জেওৰা বা কাঠৰ গে'ট (আজিকালি) এটা ব্যয়বহুল ব্যাপাৰ, চুৰ কৰি নি পুৰি পেলোৱাটো এটা বীৰত্ব নহয়—যদিও অৱশ্যে সিহঁতে ঠিক নুবুজে (এতিয়াই) যে বাঁহ-বেত-কাঠভিত্তিক টেক্‌ন'লজিৰেই বিশাল অৰ্থনৈতিক বুনিয়াদ গঢ়িব পাৰি, তেনেকুৱা প্ৰযুক্তিয়েই আমাৰ কাৰণে উপযোগী, আমাৰ কাৰণেও সৰুৱেই সুন্দৰ, 'স্মল্ ইজ্ বিউটিফুল' (অৱশ্যে সময়ৰ লগত তাল ৰাখি প্ৰয়োজনীয় ৰদ-বদল কৰি লৈ, জাপানী মানুহে যেনেকৈ তেওঁলোকৰ কাগজৰ ঘৰ মডাৰ্নাইজ কৰি এতিয়াও কাগজৰ ঘৰেই ৰাখিছে)।

যিহওক, ৰুণুক-ঠুনুকৰ এই দুখৰ কেৰম-খেলখন শেষ কৰিব লাগিল, সিহঁতক জনাই দিওঁ যে কালিলৈ পুৱাই আহি যাব সিহঁতৰ প'ৰ্টেব্‌ল্ মেজি—সিহঁতৰ কোঠাৰ দুৱাৰখন আধা জপোৱা, খুলি ভিতৰলৈ মূৰটো সুমুৱালোঁ—ক'ত, ইহঁত দুটা ইয়াত নাই দেখোন, কেৰম-ব'ৰ্ডখনো বেৰত আঁউজাই থোৱা আছে—ক'লৈ গ'ল আকৌ ইহঁত দুটা? আৰু কিহৰ তেনেহ'লে খটক্-খটক্ শব্দ শুনিলোঁ এইপিনৰপৰা? আৰু এওঁৰেই বা কিয় আৰু মুখ ওন্দোলাই থাকিব লাগে? এওঁকো

কৈ দিওঁ, হেৰা, হ'ল দিয়া তোমাৰ পিঠাৰ ব্যৱস্থা। কালিলৈ পুৱাই-পুৱাই সমবায়ৰ ডেলিভাৰী ভেন্ আহি যাব 'পৰ্টেব্‌ল পিঠা-পেক্' লৈ, বৰা চাউলো আহি যাব। পাকঘৰত ময়দা মাৰিবলৈ বহা যেন দেখিছিলোঁ, কিন্তু পাকঘৰত গৈ দেখিলোঁ তাত দেখোন নাই—ক'লৈ গ'ল আকৌ? এতিয়াও কি বৰা চাউল বিচাৰি—নাই, আমাৰ এইখিনিত তো বিমলা বাইৰ বাহিৰে আৰু কোনো চাউল-টাউল জাৰি-খুন্দি দিয়া অইন তিৰোতা মানুহ নাই, আৰু বিমলা বোলেচোন জাৰৰ কোপত জ্বৰ উঠি বিছনাত পৰি আছে...নাই, কথাটো বেয়া হৈছে, বুঢ়ী বিধবা মানুহ, সত্তৰ বছৰ পাৰ হৈ গৈছে, বিয়া দিয়া একমাত্ৰ ছোৱালীজনীও ঢুকাইছে (জোঁৱাইটোৱে নতুন বিয়া কৰিছে), খোজ-কাটল আজি-কালি থৰক-বৰক, সেই তাহানিৰ খেৰৰ চালিৰ ভগা ঘৰটোত অকলে-অকলে থাকে, ইঘৰ-সিঘৰৰ চাউল-চিৰা বাছি-খুন্দি দি কোনোমতে চলি থাকে—নাই, কালিলৈ পুৱাই পিঠা দুখনমানকে লৈ বুঢ়ীৰ এটা খবৰ লৈ আহিব লাগিব। বছৰেকৰ বিহুৰ দিনা বুলি অন্ততঃ ঔষধ-পাতি কিবা লাগিব নেকি সেইটোও এবাৰ গম ল'ব লাগে—অৱশ্যে আমাৰ এওঁৰদৰে পাড়াৰ আন বহুকেইগৰাকী গৃহিণীয়েও নিশ্চয় বিমলা বাইৰপৰা বৰা চাউল আনিবলৈ গৈ গম পাইছে যে বিমলা বাই জ্বৰত কঁপি-কঁপি বিছনাত পৰি আছে—এই পুহমহীয়া জাৰ—নিশ্চয় তেওঁলোকে বিমলা বাইৰ কিবা এটা কৰিব—ৰাইন' ক্লাবৰ ল'ৰাকেইটিয়ে সিহঁতৰ ফান্ডৰপৰা বিহুৰ সময়ত দুই-এটা সৰু-সুৰা 'সমাজ-কল্যাণ'ৰ কাম কৰে, হয়তো এইবাৰ বিমলা বাইৰ উৰলি যোৱা জেওৰাখনো সিহঁতেই মেৰামতি কৰাই বা নতুনকৈ দিয়াই দিব, জপনাখনো ভাগি পৰিছে, হয়তো লগতে সেইখনো—ভাল কথা মনত পৰিল, মোৰ কাঠৰ গে'টখন খুলি ঘৰ সোমাওঁতে তেতিয়া গে'টত ওলোমাই থোৱা লে'টাৰবক্সটোৰ ওপৰৰ ফুটাটোৰ যেন দীঘল এন্‌ভেলপ এটাৰ এটুকুৰা ওলাই থকা যেন দেখিছিলোঁ, লৰালৰিতে বাকচটো খুলি চোৱা নহ'ল। হয়তো আৰু কেইবাখনো চিঠি তাত এই দুদিনে জমা হৈ আছে। ২,৩০০ টকাৰ চে'ক এখনো ইমানদিনে ডিব্ৰুগড়পৰা আহি পোৱাৰ কথা আছিল—নাঃ, থাকক, এই ঠাণ্ডাত আৰু কোনে এতিয়া বাহিৰত চিঠিৰ বাকচ খুলিবলৈ যাব, কালিলৈ পুৱাই খুলিলেও হ'ব [বিহুৰ পুৱাই চে'কখন পালে বেছ ভাল লাগিব]—কিন্তু টেলিফ'নটো মই এতিয়াও ধৰি আছোঁ নে? এতিয়াও দেখোন হিন্দী গান, বিহুগীত—বিলাতী 'ৰক্'—চব একেলগে জগাখিচিৰি হৈ অহা যেন লাগিছে টেলিফ'নৰ মাজেৰে—কিন্তু সেইটোতো হ'ব নোৱাৰে, পূব জ্যোতিনগৰ সমবায় তো কোন কেতিয়াই বন্ধ হৈ গৈছে, তাত তো আৰু ববৰবৰা বা আন কোনেও টেলিফ'ন তুলি লৈ বহি থকা নাই...এওঁৰেই বা পাকঘৰ এৰি ক'ত সোমাল? ৰুণুক-ঠুনুকেই বা ইমান ৰাতিলৈ ঘৰত নাই কিয়—কি যে কাণ্ড—কি যে বিশ্ৰী গোলমাল—কি যে—

মেজি জ্বলোৱাৰ পাল নাই যিহেতু, পুৱা অলপ দেৰিকৈয়ে বিছনাৰপৰা উঠিলোঁ, গোলমলীয়া ৰাতিৰ ভগা-ছিগা টোপনিৰ পাছত জীৰ্ণ—ক্লান্ত। কিবাকৈ এওঁ লুচিৰ মাজত নাৰিকল ভৰাই হাইব্ৰীড্ পিঠা দুখনমান বনাইছে, মুখত তেওঁৰো ভাগৰ, কিন্তু যোৱা নিশাৰ ওন্দোলা ভাবটো নাই—চহৰ কাপটোত চুমুক দি-দি তেওঁৰ মুখৰপৰা পুৱাৰ 'আঞ্চলিক' বাতৰিৰ বুলেটিনখন শুনিলোঁ ঃ এওঁ ক'লে যে ওৰে নিশা 'মাইক' বাজিছে তিনি ঠাইত ক'ৰবাত, একেলগে বিকট জোৰে—ৰুণুক-ঠুনুক এতিয়াও ঘৰ পোৱাহি নাই। নিশাটো বোধহয় ডেকাফুকন পাৰ্কৰ সিহঁতৰ ভেলাঘৰত ভোজ-ভাত খাইছে [আ, সিহঁতৰ ৰাইন' ক্লাবে শেষ-মেষ ভাল টকাই যোগাৰ কৰিলে—দুজনমান ছাত্ৰনেতা আৰু অসম উদ্ধাৰ কৰা 'বিপ্লৱী'য়ে মাৰুতী গাড়ীৰে গৈ 'ধানুকা পাম্প' আৰু 'বৰঠাকুৰ ব্ৰাডাৰ্ছৰপৰা এক ধমকিতে তিনি হাজাৰকৈ টকা বাহিৰ কৰি আনিছে—আমাৰ জাতীয় উৎসৱত টকা নিদিব, ধেমালি পাইছে?] হঠাৎ মনত খেলালে যে ৰুণুক-ঠুনুক আৰু এতিয়া সৰু ল'ৰা নহয়, ক্লাছ এইট, ক্লাছ টে'ন—অ, চাওঁতে-চাওঁতে কেতিয়া যে সিহঁত ডাঙৰ হৈ গৈছে! লগতে এইটোও মনত খেলাই গ'ল, সিহঁতৰ ২৫/৩০ জন ল'ৰাই গাইপতি এশ টকাকৈ ভোজ খালেও দেখোন আৰু দুই-তিনি হাজাৰ টকা থাকি যায়। [এওঁ টকাৰ সংখ্যাটো অলপ বঢ়াই কৈছে বুলি ধৰি লৈছোঁ।] সেই টকা বাৰু কিহত খৰচ হৈছে?...আমাৰ কাঠৰ গে'টখন ৰাতি নিছে, লগতে গে'টত গজাল মাৰি ওলোমাই থোৱা মোৰ কাঠৰ লে'টাৰবক্সটোও গৈছে—বিমলা বাইৰ পঁচা জেওৰা আৰু ভগা জপনাখনো নিছে, বিমলা বাইৰ জুপুৰি এতিয়া চাৰিওপিনে আবুৰ নোহোৱা, দং-দং উদং—অ, খেয়ালেই নাছিল যে ৰুণুক-ঠুনুক ডাঙৰ হৈ গৈছে [সিহঁতৰ কেৰম-ব'ৰ্ডখনো তো আজি কতদিন ধৰি বেৰত আঁউজাই থোৱাই দেখি আহিছোঁ, সিহঁতৰ আমন-জিমনকৈ কেৰমৰ গুটি মাৰি থকাৰ দিন গৈছে...]—ৰাইন' ক্লাবে বাকী দুই হাজাৰ টকাৰে বাৰু আৰু কি কৰিছে, কি খাইছে—যাক, সিহঁতৰ ভেলাঘৰ আৰু ভোজটো হৈছে, পৰম্পৰাটো ৰক্ষা কৰা হৈছে, এইটো আমাৰ জাতীয় উৎসৱ, আমাৰ বাপতি সাহোন, যিয়ে যি উপাৰ্জন কৰিছে খাটি-মেলি, সেই সকলো সা-সম্পত্তি, বস্তু-বাহানিও আমাৰ সকলোৰে বাপতি সাহোন, ভেলাঘৰৰ জুইতহে দাহ গৈছে বিমলা বাইৰ ভগা জেওৰা আৰু (সম্ভৱতঃ ২৩০০ টকাৰ চে'কসহ) মোৰ কাঠৰ চিঠিৰ বাকচ, সেইবোৰোতো আমাৰ যুৱ-শক্তিৰে বাপতি সাহোন।